*Total number of pages – 16*

**CODE : 34T ACOU**

# 2024

# ACCOUNTANCY

*For New Course Students*

**Full Marks : 80**

**Pass Marks : 24**

*For Old Course Students in lieu of Project works*

**Full Marks : 100**

**Pass Marks : 30**

*Those who appeared H S Final Exam till 2023 have been treated as Old Course students*

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

*For New Course :*

| | | |
|---|---|---|
| Q. No. 1 (a) | 1×4 = | 4 |
| 1 (b) | 1×2 = | 2 |
| 1 (c) | 1×2 = | 2 |
| Q. Nos. 2–7 carry 2 marks each | 2×6 = | 12 |
| Q. Nos. 8–11 carry 3 marks each | 3×4 = | 12 |
| Q. Nos. 12–15 carry 6 marks each | 6×4 = | 24 |
| Q. Nos. 16–18 carry 8 marks each | 8×3 = | 24 |
| | Total = | 80 |

*For Old Course (in lieu of Project Works)*

| | | |
|---|---|---|
| Q. No. 19 carries 5 marks each (any four) | 5×4 = | 20 |
| | Total = | 100 |

*Contd.*

1. *(a)* Fill in the blanks with appropriate word/words : ***(any four)*** 1×4=4

উপযুক্ত শব্দৰে খালী ঠাই পূৰ কৰা ঃ *(যিকোনো চাৰিটা)*

*(i)* Partners current accounts are prepared when the capital accounts are Fixed.

মূলধন হিচাপসমূহ ______ হ'লে অংশীদাৰ সকলৰ চলিত হিচাপ প্ৰস্তুত কৰা হয়।

*(ii)* Company has a separate legal entity apart from its members.

কোম্পানীৰ ইয়াৰ সদস্য-সকলৰ বাহিৰেও এটা পৃথক ______ সত্তা থাকে।

*(iii)* Current ratio is the relationship between current assets and ______.

চলিত অনুপাতে চলিত সম্পত্তি আৰু ______ ৰ সম্পৰ্কক সূচায়।

*(iv)* Equity shareholders are owners of a company.

সমাংশপত্ৰ ধাৰকসকল এটা কোম্পানীৰ ______ হয়।

*(v)* At the time of dissolution of partnership firm, assets are transferred to Realisation Account at Book value.

অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়নৰ সময়ত সম্পত্তিসমূহ মূল্যাদায়কৰণ হিচাপলৈ ______ মূল্যত স্থানান্তৰ কৰা হয়।

*(b)* State whether the following statements are 'True' ***or*** 'False': 1×2=2

তলৰ উক্তিবোৰ 'শুদ্ধ' *নে* 'অশুদ্ধ' লিখা ঃ

*(i)* Debentureholders do not have right to vote in the meetings of the company.

ঋণপত্ৰধাৰক সকলৰ কোম্পানীৰ মিটিংত/সভাত ভোট দিয়াৰ অধিকাৰ না থাকে।

*(ii)* Premium for goodwill is shared in gaining ratio.

সুনামৰ প্ৰিমিয়াম উপকৃত লাভৰ অনুপাতত বণ্টন কৰা হয়।

(c) Choose the correct alternative : 1×2=2

শুদ্ধ উত্তৰটো বাছনি কৰা ঃ

(i) The portion of the authorised capital which is offered to the public for sale in the form of shares is called

অনুমোদিত মূলধনৰ যিটো অংশ জনসাধাৰণলৈ অংশপত্ৰৰ আকাৰত বিক্ৰীৰ বাবে আগবঢ়োৱা হয়, তাক কোৱা হয়

(a) subscribed capital

প্ৰতিশ্ৰুত মূলধন

(b) issued capital

বিলিকৃত মূলধন

(c) called-up capital

তলবী মূলধন

(d) paid-up capital

আদায়কৃত মূলধন

(ii) In the absence of partnership deed, the rate of interest allowed on partner's capital is

অংশীদাৰী চুক্তিৰ অবিহনে, অংশীদাৰৰ মূলধনৰ ওপৰত প্ৰদান কৰা সূতৰ হাৰ হৈছে

(a) 6%

(b) 5%

(c) 6.5%

(d) None of the above

ওপৰৰ এটাও নহয়

2. What is meant by re-issue of forfeited shares? 2

বাজেয়াপ্ত অংশপত্ৰৰ পুনৰ বিলিকৰণ মানে কি বুজা যায়?

3. Write *any two* demerits of partnership business. 2

অংশীদাৰী ব্যৱসায়ৰ *যিকোনো দুটা* অসুবিধা লিখা।

4. Mention *two* features of a debenture. 2

ঋণপত্ৰৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(i) It does not carry voting right like shares.
(ii) It is an acknowledgement of debt or loan taken by a company.

**OR / *নাইবা***

Write the meaning of 'Cash flow from investing activities'. 2

'বিনিয়োগ কাৰ্য্যকলাপৰ পৰা হোৱা নগদ ধনৰ প্ৰবাহ'-ৰ অৰ্থ লিখা।

5. Give *two* circumstances under which the fixed capitals of partners may change. 2

অংশীদাৰ সকলৰ স্থিৰ মূলধন সলনি হ'ব পৰা *দুটা* পৰিস্থিতি উল্লেখ কৰা।

**OR / *নাইবা***

Why is Profit and Loss Adjustment Account prepared ? 2

লাভ-লোকচান সংযোজন হিচাপ কিয় প্ৰস্তুত কৰা হয়?

6. What is meant by 'calls-in-advance'? 2

'অগ্ৰীম তলবী' মানে কি বুজা যায়?

7. Mention *two* limitations of financial statement analysis. 2

বিত্তীয় প্ৰতিবেদনৰ বিশ্লেষণৰ *দুটা* সীমাবদ্ধতা উল্লেখ কৰা।

(i) Profitability Analysis
(ii) Liquidity Analysis.

**OR / *নাইবা***

What is meant by the term 'cash equivalents' ? 2

'নগদৰ সমতুল্য' পদটোৰ দ্বাৰা কি বুজা যায়?

8. Write *three* situations when a partnership firm is compulsorily dissolved. 3

অংশীদাৰী ব্যৱসায়ৰ বাধ্যতামূলক অৱসায়ন হোৱাৰ *তিনিটা* পৰিস্থিতি লিখা।

9. Give *any three* items that can be shown under the heading 'Reserves and Surplus' in a company's Balance Sheet. 3

এটা কোম্পানীৰ উদ্বৃত্তপত্ৰত 'সঞ্চিত পুঁজি আৰু ৰাহিসমূহ' শিতানৰ অধীনত দেখুৱাব পৰা *যিকোনো তিনিটা* বিষয় উল্লেখ কৰা।

(i) Capital Reserve (ii) Revaluation Reserve (iii) Capital Redemption Reserve.

**OR / *নাইবা***

Name *any three* items of current assets. 3

*যিকোনো তিনিটা* চলিত সম্পত্তিৰ নাম লিখা।

(i) Cash in hand (ii) other investment (iii) investment in Equity Share

10. Current liabilities of a company are ₹ 3,50,000. Its current ratio is 3 : 1 and liquid ratio is 1.75 : 1. Calculate the current assets and liquid assets. 3

এটা কোম্পানীৰ চলিত দেনাৰ পৰিমাপ ₹ 3,50,000। যদি কোম্পানীটোৰ চলিত অনুপাত 3 : 1 আৰু তৰল অনুপাত 1.75 : 1 হয়, চলিত সম্পত্তি আৰু তৰল সম্পত্তিৰ পৰিমাণ নিৰ্ণয় কৰা।

**OR / *নাইবা***

Mention *any three* objectives of preparing comparative statement. 3

তুলনামূলক প্ৰতিবেদন প্ৰস্তুতকৰণৰ *যিকোনো তিনিটা* উদ্দেশ্য উল্লেখ কৰা।

**OR / *নাইবা***

What is computerised accounting system? 3

কম্পিউটাৰকৃত লেখাংকন পদ্ধতি মানে কি?

11. *A* and *B* are partners sharing profits and losses equally. They have admitted *C* into the firm. *A* has surrendered 1/3 of his share and *B* has surrendered 1/6 of his share in favour of *C*. Ascertain the new profit sharing ratio. 3

*A* আৰু *B* দুজন অংশীদাৰ আৰু তেঁওলোকে সমানে লাভ-লোকচান ভগাই লয়। তেঁওলোকে *C*-ক নতুন অংশীদাৰ হিচাপে ল'লে। *A*-য়ে তেঁওৰ অংশৰ 1/3 আৰু *B*-য়ে তেঁওৰ অংশৰ 1/6 অংশ *C* লৈ প্ৰত্যৰ্পণ কৰিলে। নতুন লাভ বণ্টনৰ অনুপাত নিৰ্ণয় কৰা।

**OR / *নাইবা***

Explain in brief the 'average profit method' of goodwill valuation. 3

সুনাম মূল্যায়নৰ 'গড় লাভ পদ্ধতি' টো চমুকৈ ব্যাখ্যা কৰা।

**OR / *নাইবা***

Write *three* advantages of using graphs. 3

লেখ ব্যৱহাৰৰ *তিনিটা* সুবিধা লিখা।

12. Prepare a Commonsize Income Statement of Maina Ltd. from the following informations : 6

তলৰ তথ্যসমূহৰ পৰা মাইনা লিমিটেডৰ উমৈহতীয়া আকাৰৰ আয়ৰ প্ৰতিবেদন প্ৰস্তুত কৰা ঃ

| Particulars (বিৱৰণ) | 2022 (₹) | 2023 (₹) |
|---|---|---|
| Sales (বিক্ৰী) | 1,05,000 | 1,10,000 |
| Sales Returns (বিক্ৰয় ফিৰৎ) | 5,000 | 10,000 |
| Cost of Goods Sold (বিক্ৰী কৰা সামগ্ৰীৰ ক্ৰয়মূল্য) | 70,000 | 74,800 |
| Office Expenses (কাৰ্য্যালয়ৰ খৰচ) | 3,000 | 3,200 |
| Non-operating Incomes (অব্যৱসায়িক আয়) | 5,000 | 6,600 |
| Non-operating Expenses (অব্যৱসায়িক খৰচ) | 1,000 | 1,100 |
| Income Tax Rate (আয়কৰৰ হাৰ) | 50% | 50% |

**OR / নাইবা**

Explain in brief the tools of financial analysis. 6

বিত্তীয় বিশ্লেষণৰ আহিলাসমূহ চমুকৈ বৰ্ণনা কৰা।

**OR / নাইবা**

Explain the concepts of 'data validation' and 'data verification'. 6

'ডাটা ভেলিডেছন' আৰু 'ডাটা ভেৰিফিকেচন' ধাৰণাকেইটা বৰ্ণনা কৰা।

13. Give Journal entries in the books of Pakhi Ltd. for issue of debentures under the following situations : 1+1+1+1+2=6

তলত দিয়া অৱস্থাসমূহৰ বাবে পাখি লিমিটেডৰ বহীত ঋণপত্ৰৰ বিলিৰ বাবে জাবেদা প্ৰৱিষ্টি দিয়া ঃ

(a) Issued 5,000, 8% debentures of ₹ 100 each at par redeemable at 5% premium after 4 years.

5,000টা 100 টকীয়া 8% ঋণপত্ৰ সমহাৰত বিলি কৰে যি 4 বছৰৰ পিছত 5% অধিহাৰত পৰিশোধনীয়।

(b) Issued 6,000, 9% debentures of ₹ 100 each at 5% premium, redeemable at par after 4 years.

6,000টা 100 টকীয়া 9% ঋণপত্ৰ 5% অধিহাৰত বিলি কৰে যি 4 বছৰৰ পিছত সমহাৰত পৰিশোধনীয়।

*(c)* Issued 7,000, 10% debentures of ₹ 100 each at 5% discount, redeemable at par after 4 years.

7,000টা 100 টকীয়া 10% ঋণপত্ৰ 5% বাট্টাত বিলি কৰে যি 4 বছৰৰ পিছত সমহাৰত পৰিশোধনীয়।

*(d)* Issued 8,000, 10% debentures of ₹ 100 each at 5% premium, redeemable at 10% premium after 4 years.

8,000টা 100 টকীয়া 10% ঋণপত্ৰ 5% অধিহাৰত বিলি কৰে যি 4 বছৰৰ পিছত 10% অধিহাৰত পৰিশোধনীয়।

*(e)* Issued 5,000, 9% debentures of ₹ 100 each to the vendors for purchasing a machinery of ₹ 5,00,000.

5,00,000 টকাৰ যন্ত্ৰপাতি ক্ৰয়ৰ বাবে বিক্ৰেতাক 5,000টা 100 টকীয়া 9% ঋণপত্ৰ বিলি কৰে।

***OR / নাইবা***

Give *six* points of distinctions between a share and a debenture. 6

অংশপত্ৰ আৰু ঋণপত্ৰৰ মাজত থকা *ছটা* পাৰ্থক্য আগবঢ়োৱা।

***OR / নাইবা***

Explain the applications of Spreadsheet in Accounting. 6

লেখাংকনত 'Spreadsheet'ৰ ব্যৱহাৰসমূহ বৰ্ণনা কৰা।

14. Susanta, Ananta and Diganta were in partnership sharing profits and losses in the ratio of 3 : 2 : 1. On 1.1.2023. Susanta retires from the firm. On that date Balance Sheet of the firm was as follows : 6

সুশান্ত, অনন্ত আৰু দিগন্ত 3 : 2 : 1 অনুপাতত লাভ-লোকচান বিতৰণকাৰী এখন প্ৰতিষ্ঠানৰ অংশীদাৰ আছিল। 1. 1. 2023 তাৰিখত সুশান্তই ব্যৱসায়ৰ পৰা অৱসৰ লয়। সেই তাৰিখত প্ৰতিষ্ঠানৰ উদ্বৃত-পত্ৰখন তলত দিয়া ধৰণৰ আছিল।

**Balance Sheet** (উদ্বৃত্ত-পত্ৰ)

| Liabilities (দেনা) | ₹ | Assets (সম্পত্তি) | ₹ |
|---|---|---|---|
| Creditors (পাওনাদাৰ) | 50,000 | Cash at Bank (বেংকত জমা) | 6,000 |
| Reserve Fund (সঞ্চিত পুঁজি) | 60,000 | Debtors (দেনাদাৰ) | 1,50,000 |
| Capital (মূলধন) | | Stock (মজুত) | 30,000 |
| Susanta = 80,000 (সুশান্ত) | | Furniture (আচবাব) | 24,000 |
| Ananta = 60,000 (অনন্ত) | | Land and Building (ভূমি আৰু ভৱন) | 80,000 |
| Diganta = 40,000 (দিগন্ত) | 1,80,000 | | |
| | 2,90,000 | | 2,90,000 |

The terms of the retirement were :

অৱসৰৰ চৰ্তসমূহ আছিল ঃ

*(i)* Goodwill of the firm were valued at ₹ 1,20,000

প্ৰতিষ্ঠানৰ সুনামৰ মূল্যায়ন 1,20,000 টকাত কৰা হৈছিল

*(ii)* Land and Building to be appreciated by ₹ 20,000

ভূমি আৰু ভৱন 20,000 টকাৰে বৃদ্ধি কৰিব লাগে

*(iii)* Provision for Bad Debts to be made @ 2% on debtors

দেনাদাৰৰ ওপৰত 2% অনুদ্ধাৰণীয় ঋণৰ বাবে ব্যৱস্থা কৰা হ'ব

(iv) Furniture to be depreciated by ₹ 4,000

আচবাবৰ ওপৰত 4,000 টকাৰ অৰক্ষয় ধাৰ্য্য কৰা হ'ব

(v) Susanta's capital is to be transferred to his Loan Account

সুশান্তৰ মূলধন তেঁওৰ ঋণ হিচাপলৈ স্থানান্তৰ কৰা হ'ব

Give Journal entries relating to the above transactions.

উপৰোক্ত লেনদেন সমূহৰ বাবে জাবেদা প্ৰবিষ্টি দিয়া।

**OR / নাইবা**

Explain how the amount due to a deceased partner is ascertained? 6

এজন মৃত অংশীদাৰৰ পাবলগীয়া ধনৰ পৰিমাণ কিদৰে নিৰ্দ্ধাৰণ কৰা হয় বৰ্ণনা কৰা।

15. Distinguish between dissolution of partnership and dissolution of firm. 6

অংশীদাৰীৰ অৱসায়ন আৰু অংশীদাৰী ব্যৱসায়ৰ অৱসায়নৰ মাজৰ পাৰ্থক্যবোৰ লিখা।

**OR / নাইবা**

Ravi and Vicky are partners in a firm sharing profits and losses in the ratio of 3 : 2. They decided to dissolve their firm on 31st December, 2022. Their Balance Sheet on that date was as under :

ৰবি আৰু বিকী 3 : 2 অনুপাতত লাভ আৰু লোকচান বণ্টন কৰা এটা ব্যৱসায়ৰ অংশীদাৰ। তেঁওলোকে 31 ডিচেম্বৰ, 2022 তাৰিখত তেঁওলোকৰ ব্যৱসায়ৰ অৱসায়নৰ সিদ্ধান্ত লয়। সেই তাৰিখত তেঁওলোকৰ উদ্বৃতপত্ৰখন তলত দিয়া ধৰণৰ আছিল ঃ

**Balance Sheet** (উদ্বৃত্ত-পত্ৰ)

| Liabilities (দেনা) | ₹ | Assets (সম্পত্তি) | ₹ |
|---|---|---|---|
| Capitals (মূলধন) : | | Furniture (আচবাব) | 16,000 |
| Ravi (ৰবি) | 17,500 | Investment (বিনিয়োগ) | 4,000 |
| Vicky (বিকী) | 10,000 | Debtors (দেনাদাৰ) | 2,000 |
| Creditors (পাওনাদাৰ) | 2,000 | Stock (মজুত) | 3,000 |
| Profit and Loss A/c (লাভ-লোকচান হিচাপ) | 1,500 | Cash at Bank (বেংকত জমা) | 6,000 |
| | 31,000 | | 31,000 |

Ravi took over the investments at an agreed value of ₹ 3,800. Other assets were realised as follows :

Furniture — ₹18,000

Debtors — 90% of Book value

Stock — ₹ 2,800

Creditors of the firm agreed to accept 5% less. Expenses of realisation amounted to ₹ 400. Close the firm's books by preparing a Realisation Account, Partners' Capital Accounts and Bank Account. 6

ৰবিয়ে 3,800 টকাৰ এক সম্মত মূল্যত বিনিয়োগসমূহ গ্ৰহণ কৰে। অন্য সম্পত্তিসমূহ তলত দিয়া ধৰণে আদায় কৰা হয় ঃ

আচবাব — 18,000 টকা

দেনাদাৰ — বহীমূল্যৰ 90%

মজুত — 2,800 টকা

ব্যৱসায়ৰ পাওনাদাৰসকলে 5% কমকৈ গ্ৰহণ কৰিবলৈ সম্মত হয়। মূল্যাদায়কৰণৰ খৰচ 400 টকা হৈছিল। মূল্যাদায়কৰণ হিচাপ, অংশীদাৰৰ মূলধন হিচাপ আৰু বেংক হিচাপ প্ৰস্তুত কৰি ব্যৱসায়ৰ হিচাপৰ বহীসমূহ বন্ধ কৰা।

16. Anvi Ltd. has issued 10,000 equity shares of ₹10 each at a premium of ₹2 each payable as follows : 8

On Application – ₹2

On Allotment – ₹5 (including premium)

On First and Final Call – ₹5

The shares have been fully subscribed, called up and paid-up except the following :

*(a)* Allotment and First and Final Call money on 500 shares held by Ritu, and

*(b)* First and Final Call money on 600 shares held by Jitu.

All these shares have been forfeited and re-issued at 10% discount as fully paid.

Give Journal entries in the books of the company.

Anvi লিমিটেডে প্ৰতিখন 10 টকা মূল্যৰ 10,000 খন সমাংশপত্ৰ প্ৰতিখনত 2 টকা অধিহাৰত বিলি কৰে আৰু ইয়াক তলত দিয়া ধৰণে পৰিশোধ কৰিব লাগিব ঃ

আবেদনৰ লগত — 2 টকা

আবণ্টনৰ লগত — 5 টকা (অধিহাৰৰ সৈতে)

প্ৰথম আৰু চূড়ান্ত তলবৰ লগত — 5 টকা

অংশপত্ৰবোৰৰ বাবে সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুত হ'ল, গোটেইবোৰ তলব কৰা হ'ল আৰু তলত দিয়া সমূহৰ বাদ দি বাকী সকলো ধন আদায় পোৱা গ'ল ঃ

*(a)* 500 খন অংশপত্ৰৰ ধাৰক ৰিতুৰ পৰা পাবলগীয়া আবণ্টন আৰু প্ৰথম আৰু চূড়ান্ত তলবৰ ধন, আৰু

*(b)* 600 খন অংশপত্ৰৰ ধাৰক জিতুৰ পৰা পাবলগীয়া প্ৰথম আৰু চূড়ান্ত তলবৰ ধন।

এই সকলো অংশপত্ৰ বাজেয়াপ্ত কৰা হ'ল আৰু 10% ৰেহাই মূল্যত সম্পূৰ্ণ আদায়কৃত হিচাপে পুনৰ বিলি কৰিলে।

কোম্পানীৰ বহীত জাবেদা প্ৰৱিষ্টি দিয়া।

**OR / *নাইবা***

*(a)* For what purposes 'securities premium' can be used? 5

'প্ৰতিভূতি অধিহাৰ' কি কি উদ্দেশ্যত ব্যৱহাৰ কৰিব পাৰি?

*(b)* Write *three* distinctions between equity share and preference share. 3

'সমাংশপত্ৰ' আৰু 'অগ্ৰাধিকাৰযুক্ত অংশপত্ৰ'ৰ মাজত থকা *তিনিটা* পাৰ্থক্য লিখা।

**OR / *নাইবা***

What are the steps involved in installation of computerised accounting system (CAS)? 8

কম্পিউটাৰকৃত লেখাংকন পদ্ধতি স্থাপনৰ লগত জড়িত পদক্ষেপসমূহ কি কি?

17. Mihir and Karan are partners in a firm sharing profits in the ratio of 3 : 2. On April 1, 2022 their Balance Sheet was as under : 3+3+2=8

মিহিৰ আৰু কৰণ 3 : 2 অনুপাতত লাভ বণ্টনৰ এখন প্ৰতিষ্ঠানৰ অংশীদাৰ। 1 এপ্ৰিল, 2022 তাৰিখত তেঁওলোকৰ উদ্বৃত্ত পত্ৰখন তলত দিয়াৰ দৰে আছিল ঃ

**Balance Sheet** (উদ্বৃত্ত-পত্ৰ)

| Liabilities (দেনা) | ₹ | Assets (সম্পত্তি) | ₹ |
|---|---|---|---|
| Sundry Creditors (বিবিধ দেনাদাৰ) | 85,000 | Bank (বেংক) | 10,000 |
| | | Stock (মজুত) | 22,000 |
| Capitals (মূলধন) : | | Plant and Machinery (কাৰখানা আৰু যন্ত্ৰপাতি) | 40,000 |
| Mihir (মিহিৰ) = 70,000 | | | |
| Karan (কৰণ) = 60,000 | 1,30,000 | Building (ভৱন) | 1,00,000 |
| | | Goodwill (সুনাম) | 20,000 |
| | | Debtors (দেনাদাৰ) - 24,000 | |
| | | Less : Provision (ব্যৱস্থা) - 1,000 | 23,000 |
| | 2,15,000 | | 2,15,000 |

On the above date, they admitted Sunil as a new partner on the following terms :

উপৰোক্ত তাৰিখত তেঁওলোকে তলত উল্লেখ কৰা চৰ্তসমূহৰ ভিত্তিত সুনীলক নতুন অংশীদাৰ হিচাপে ভৰ্তি কৰিলে ঃ

*(i)* Sunil will bring ₹ 50,000 for his capital.
সুনীলে তেঁওৰ মূলধনৰ বাবদ 50,000 টকা আনিব।

*(ii)* He would get 1/5th share in the future profits.
তেঁও ভৱিষ্যৎ লাভৰ 1/5 অংশ লাভ কৰিব।

*(iii)* Goodwill of the firm is valued at ₹ 1,20,000.
প্ৰতিষ্ঠানৰ সুনাম 1,20,000 টকাত মূল্যায়ন কৰা হ'ব।

*(iv)* Sunil will bring necessary premium for goodwill.
সুনীলে প্ৰয়োজনীয় সুনামৰ প্ৰিমিয়াম আনিব লাগিব।

Pass Journal entries to record the above transaction. Prepare Partner's Capital Accounts and Balance Sheet of the new firm.

ওপৰৰ লেনদেনসমূহ লিপিবদ্ধ কৰিবৰ বাবে জাবেদা প্ৰৱিষ্টি দিয়া। অংশীদাৰৰ মূলধন হিচাপ আৰু নতুন প্ৰতিষ্ঠানৰ উদ্বৃত্ত পত্ৰখন প্ৰস্তুত কৰা।

**OR / নাইবা**

(i) Distinguish between Profit and Loss Account and Profit and Loss Appropriation Account. 5

লাভ-লোকচান হিচাপ আৰু লাভ-লোকচান উপযোজন হিচাপৰ মাজৰ পাৰ্থক্যবোৰ লিখা।

(ii) Mention *any three* rights of a partner. 3

অংশীদাৰ এজনৰ *যিকোনো তিনিটা* অধিকাৰ উল্লেখ কৰা।

18. Biswa and Pradip are partners in a firm. The Trial Balance of the firm as on 31st December, 2022 was as under : 8

বিশ্ব আৰু প্ৰদীপ এখন প্ৰতিষ্ঠানৰ অংশীদাৰ। 31 ডিচেম্বৰ, 2022 তাৰিখত প্ৰতিষ্ঠানখনৰ উদ্বৃত্ত মিলন পত্ৰখন তলৰ দৰে আছিল ঃ

**Trial Balance** (উদ্বৃত্ত মিলনপত্ৰ)

| Debit (ডেবিট) | ₹ | Credit (ক্ৰেডিট) | ₹ |
|---|---|---|---|
| Drawings (আহৰণ) : | | Capital (মূলধন) : | |
| Biswa (বিশ্ব) — 4,000 | | Biswas (বিশ্ব) — 65,000 | |
| Pradip (প্ৰদীপ) — 3,000 | 7,000 | Pradip (প্ৰদীপ) — 40,000 | 1,05,000 |
| Cash at Bank (বেংকত জমা) | 45,000 | Sundry Creditors (বিবিধ পাওনাদাৰ) | 18,400 |
| Sundry Debtors (বিবিধ দেনাদাৰ) | 40,500 | Bank Loan (বেংকৰ লোন) | 5,000 |
| Insurance (বীমা) | 19,740 | Commission (কমিছন) | 300 |
| Advertisement (বিজ্ঞাপন) | 9,000 | Trading A/c (Gross Profit) | 57,200 |
| Closing Stock (সামগ্ৰী মজুত) | 12,500 | | |
| Cash in hand (নগদ জমা) | 16,300 | | |
| Commission (কমিছন) | 5,000 | | |
| Motor Car (মটৰ গাড়ী) | 20,860 | | |
| Machinery (যন্ত্ৰপাতি) | 10,000 | | |
| | 1,85,900 | | 1,85,900 |

Prepare Profit and Loss Account, Profit and Loss Appropriation Account and the Balance Sheet of the firm for the year ended 31st December, 2022 after considering the following information :

তলত দিয়া তথ্যসমূহ বিবেচনা কৰিলে 31 ডিচেম্বৰ, 2022 তাৰিখত অন্তপৰা বৰ্ষৰ বাবে লাভ-লোকচান হিচাপ, লাভ-লোকচান উপযোজন হিচাপ আৰু উদ্বৃত্ত পত্ৰখন প্ৰস্তুত কৰা ঃ

(a) Partners are to share profits and losses in the proportion of 3/5 and 2/5 respectively.

অংশীদাৰসকলে লাভ-লোকচানসমূহ ক্ৰমে 3/5 আৰু 2/5 অনুপাতত ভগাই লব।

(b) Write off depreciation @ 10% on Machinery and 20% on Motor Car.

যন্ত্ৰপাতিৰ ওপৰত 10% আৰু মটৰ গাড়ীৰ ওপৰত 20% অৱক্ষয় ধাৰ্য্য কৰিব লাগে।

(c) Create a provision of 5% on Sundry Debtors for Doubtful Debts.

বিবিধ দেনাদাৰৰ ওপৰত সন্দেহজনক ঋণৰ বাবদ 5% ভৱিষ্যৎ ব্যৱস্থা কৰা হ'ব।

(d) Partners are entitled to Interest on Capital @ 5% per annum and Pradip is entitled to a salary of ₹ 1,800 per annum.

অংশীদাৰসকলে বছৰি 5% হাৰত মূলধনৰ ওপৰত সূত লাভ কৰিব আৰু প্ৰদীপক বছৰি 1,800 টকাকৈ দৰমহা দিয়া হ'ব।

***For Old Course : (in lieu of Project Works)***

19\. Answer the following questions : ***(any four)*** 5×4=20
তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ *(যিকোনো চাৰিটা)*

(a) Write distinctions between Fixed Capital Account and Fluctuating Capital Account.
স্থিৰ মূলধন হিচাব আৰু অস্থিৰ মূলধন হিচাপৰ মাজত থকা পাৰ্থক্য লিখা।

(b) What is Ratio Analysis ? Mention *any three* limitations of ratio analysis.
অনুপাত বিশ্লেষণ কি ? অনুপাত বিশ্লেষণৰ *যিকোনো তিনিটা* সীমাবদ্ধতা উল্লেখ কৰা।

(c) Explain uses of Financial Statement.
বিত্তীয় প্ৰতিবেদনৰ ব্যৱহাৰ ব্যাখ্যা কৰা।

(d) What is meant by Cash Flow Statement ? Mention *any three* objectives of preparing cash flow statement.
নগদধন প্ৰৱাহৰ প্ৰতিবেদন বুলিলে কি বুজা ? নগদধন প্ৰবাহৰ প্ৰতিবেদন প্ৰস্তুত কৰাৰ *যিকোনো তিনিটা* উদ্দেশ্য উল্লেখ কৰা।

(e) Explain the average profit method of valuation of goodwill. What is Revaluation Account ?
সুনাম মূল্যায়নৰ গড় লাভ পদ্ধতিটো বৰ্ণনা কৰা। পুনৰমূল্যায়ন হিচাপ মানে কি ?

———×———